**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰশাসনৰ প্ৰস্তুতিৰ সমান্তৰালকৈ ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি।

২। সমাগত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৩। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ তিনি দিনীয়া মলাৱি ভ্ৰমণৰ আজি অন্তিম দিন। মলাৱিৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক বৈঠক, কেইবাখনো চুক্তিত স্বাক্ষৰ।

*আৰু*

৪। নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত প্ৰথমখন টেষ্টৰ দ্বিতীয় ইনিংছত ভাৰতে কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৩১ ৰানৰ পৰা আজি চতুৰ্থ দিনাৰ খেল আৰম্ভ কৰিব।

০০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া চিৰাং জিলাৰ জনজাতি সংৰক্ষিত চিদলী বিধানসভা সমষ্টিতো জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ আয়ুক্তই কালি সদৰি কৰে যে ১৩ নৱেম্বৰত হ'বলগীয়া ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ প্ৰশাসন সক্ষম হৈ আছে তথা উপ-নিৰ্বাচন সুচাৰুৰূপে পৰিচালনাৰ বাবে সমষ্টিটোত ১৩০০ কৰ্মচাৰী নিয়োগ কৰা হৈছে। জিলা প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ চিৰাং জিলাৰ সংববাদদাতা কুঞ্জ মোহন ৰায়ে –

(ভইচ)

উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পাঁচোটা সমষ্টিতে তালাচী অভিযান বৃদ্ধি কৰা হৈছে। ৮৮ নম্বৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনকলৈ নগাঁও আৰক্ষীৰ তৎপৰতা বৃদ্ধি পাইছে। জিলাখনৰ বিভিন্ন স্থানত নগাঁও আৰক্ষীয়ে

কালি সন্ধিয়া পৰা তালাচী অভিযান আৰম্ভ কৰিছে। চামগুৰি বিধানসভা সমষ্টিত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত অধিক তথ্যৰ বাবে আমাৰ নগাঁও জিলাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াৰ ওচৰলৈ গৈছো -

(ভইচ)

0000000

অহা ২৭ অক্টোবৰত ৰাজ্যজুৰি চতুৰ্থবৰ্গৰ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। অষ্টম শ্ৰেণী উত্তীৰ্ণ আৰু মেট্ৰিক উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ মাজত দুটা শাখাত এই পৰীক্ষা অনুষ্ঠিত হ'ব। পুৱাৰ ভাগত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাত ৮ লাখ ২৭ হাজাৰ পৰীক্ষাৰ্থী আৰু দুপৰীয়াৰ ভাগত ৫ লাখ ৫২ হাজাৰ পৰীক্ষাৰ্থীয়ে এই নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'ব। সমূহ পৰীক্ষাৰ্থীক শুভেচ্ছা জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনেদৰে কয়–

*ঃঃ বাইট ঃঃ*

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া মলাৱি ভ্ৰমণৰ অন্তিম দিনা গুৰুত্বপূৰ্ণ বিভিন্ন সাংস্কৃতিক স্থান পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিয়ে কালি মলাৱিৰ ৰাষ্ট্ৰপতি লজাৰছ ছাক্‌ৱেৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ভাৰত আৰু মলাৱিয়ে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত বিভিন্ন খণ্ডত সহযোগিতাৰ বাবে ৪ খন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰে। আলজেৰিয়া আৰু ম'ৰিটেনিয়াৰ সফল ভ্ৰমণ সামৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু বৃহস্পতিবাৰে মলাৱিত উপস্থিত হয়। উল্লেখযোগ্য যে শ্ৰীমতী মুৰ্মু আফ্ৰিকাৰ এই তিনিখন দেশ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি।

0000000

নতুন দিল্লীত আজি কৰ্মযোগী ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহ আৰম্ভ হ'ব। এটা শক্তিশালী ডিজিটেল পৰিৱেশ তন্ত্ৰৰ সহায়ত নাগৰিককেন্দ্ৰিক শাসন ব্যৱস্থা প্ৰসাৰিত কৰাৰ লক্ষ্যৰে ২০২০ চনৰ ছেপ্তেম্বৰত এই শিক্ষণ সপ্তাহৰ কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। এই সপ্তাহৰ সময়ছোৱাত প্ৰত্যেকগৰাকী চৰকাৰী কৰ্মচাৰীয়ে ৪ ঘণ্টাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ জৰিয়তে ব্যক্তিগত অংশগ্ৰহণকাৰীৰ উপৰি বিভিন্ন অসামৰিক মন্ত্ৰালয়, বিভাগ আৰু সংগঠনৰ দক্ষতা আৰু সামৰ্থৰ বিকাশ ঘটিব।

0000000

বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ কাইলৈ দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব-এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট-ইষ্ট নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্ট নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে যে শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

0000000

পৰ্যটন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত কালি কৰিমগঞ্জ জিলা বিজেপিৰ কাৰ্যালয়ত সক্ৰিয় সদস্যপদ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত মুখ্য অতিথিৰূপে উপস্থিত থকা মন্ত্ৰীগৰাকীয়ে কয় যে কৰিমগঞ্জ জিলাত ইতিমধ্যে ২ লাখ সদস্যই অনলাইনযোগে ভাৰতীয় জনতা পাৰ্টীৰ সদস্যপদ গ্ৰহণ কৰিছে। মন্ত্ৰী মল্লবৰুৱাই লগতে জিলাখনৰ ৰাতাবাৰী আৰু পাথাৰকান্দি বিধানসভাই বিজেপিৰ অনলাইন সদস্যপদ অভিযানত ক্ৰমে ৪

আৰু ৬ নম্বৰ স্থান দখল কৰা বিধায়ক বিজয় মালাকাৰ তথা কৃষ্ণেন্দু পাল আৰু দলৰ সকলো স্তৰৰ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্য চৰকাৰে অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰাৰ পাছতে চি বি আই যথেষ্ট তৎপৰ হৈ পৰিছে। প্ৰবঞ্চনাৰে বিনিয়োগকাৰীৰ কোটি কোটি টকা আত্মসাৎ কৰাৰ ৪১টা গোচৰৰ তদন্ত আৰম্ভ কৰি কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে কালি ৰাজ্যৰ অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ কেইবাগৰাকীও ভুক্তভোগীৰ ভাষ্য গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ৰাজ্যিক আৰক্ষীয়ে এই কেংলেকাৰীৰ সৈতে জড়িত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখযোগ্য যে এই কেলেংকাৰীৰ মূল অভিযুক্ত দীপাংকৰ বৰ্মন এতিয়াও পলাতক অৱস্থাত আছে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলা কাৰ্যালয়ত কালি সক্ৰিয় সদস্য ভৰ্তি অভিযানৰ এটা কৰ্মশালাৰ অনুষ্ঠিত কৰা হয়। কৰ্মশালাত ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুজীৰ উপস্থিত থাকে। লগতে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, অসম প্ৰদেশৰ উপ-সভাপতি ৰাণা গোস্বামী, যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, অসম চাহ জনজাতি মৰ্চাৰ ৰাজ্যিক সভাপতি দুলেন নায়ক আৰু যোৰহাট জিলা বিজেপিৰ প্ৰভাৰী পংকজ বৰবৰাৰ লগতে বহু বিজেপিৰ সদস্য উপস্থিত থাকে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

শোণিতপুৰ জিলাৰ ৰঙাপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ ১৭ নম্বৰ লাইন বৰ্জুলি চাহ বাগিচাত কালি আয়ুষ্মাণ আৰোগ্য শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত স্থানীয় লোকৰ স্বাস্থ্য পৰীক্ষাৰ লগতে জনকল্যাণমূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিবিৰত অংশগ্ৰহণকাৰীসকলে অ-সংক্ৰামক ৰোগ পৰীক্ষা, কুহি ৰোগৰ পৰীক্ষা, গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে অ' আৰ এছ্ বিতৰণৰ কৰা হয়। সৰ্প দংশনৰ সঠিক পৰিচৰ্যা, উচ্চ ৰক্তচাপ আৰু বহুমূত্ৰ ৰোগ পৰিচালনাকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই শিবিৰত স্থানীয় ৰাইজৰ ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হয়।

০০০০০০০

যোৰহাট জিলাৰ খনিজ পদাৰ্থৰ উপলব্ধতা সন্দৰ্ভত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা জৰিপ প্ৰতিবেদন সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত যোৰহাটৰ জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, বন সংমণ্ডল বিষয়া, চক্ৰ বিষয়া, খনিজ আৰু খনিজ বিভাগৰ বিষয়াৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

যোৰহাটৰ নৱ-নিযুক্ত আয়ুক্তই কালি শ'লমৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ বিভিন্ন দিশ সন্দৰ্ভত বুজ লোৱাৰ লগতে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ লগত পৰ্যালোচনাত মিলিত হয়। এই পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীক যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই সংগ দিয়ে।

ooooooo

দিল্লীৰ ৰাউজ এভিনিউ আদালতে আম আদমী পাৰ্টীৰ নেতা আৰু দিল্লীৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী সত্যেন্দ্ৰ জৈনক কালি দুবছৰৰ মূৰত ধন আত্মসাতৰ গোচৰত জামিন প্ৰদান কৰে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে চাৰিটা কোম্পানীৰ মাধ্যমেৰে ক'লাধন বৈধকৰণৰ অভিযোগত ২০২২ চনৰ ৩০ মে'ত গ্ৰেপ্তাৰ কৰিছিল। তেওঁ সম্প্ৰতি ন্যায়িক জিম্মাত আছে।

ooooooo

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত ছাইবাৰ ছিকিউৰিটি সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত চিআইডিৰ অতিৰিক্ত সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আত ধৰিব মানস প্ৰতীম শৰ্মাই।

ooooooo

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি চতুৰ্থ দিনা ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৩১ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। কালি দিনান্তত ছৰফৰাজ খানে ৭০ ৰান কৰি খেলি আছিল। আনহাতে, বিৰাট কোহলিয়ে কালিৰ অন্তিমটো বলত ৭০ ৰান কৰি আউট হয়। ভাৰত এতিয়াও নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১২৫ ৰানত পিছ পৰি আছে। নিউজিলেণ্ডৰ হৈ এজাছ পেটেলে দুটা উইকেট দখল কৰাৰ বিপৰীতে গ্লেন ফিলিপছে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে কালি ৪০২ ৰানত প্ৰথম ইনিংছ সামৰে।

ooooooo

নিউজিলেণ্ডে যোৱানিশা ইউ এ ইৰ শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ৱেষ্ট ইণ্ডিজক ৮ ৰানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত নিউজিলেণ্ড টছত জিকি প্ৰথম বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ জৰ্জিয়া প্লিমাৰে সৰ্বাধিক ৩৩ ৰান কৰে। ৱেষ্ট ইণ্ডিজৰ ডিয়েন্দ্ৰা ডটিনে ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে

নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ড কাইলৈ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

অসম মল্লযুঁজ সন্থাই ১৭ সংখ্যক সদৌ অসম আন্তঃজিলা মল্লযুঁজ ছেম্পিয়নশ্বিপ ২০২৪ ৰ আয়োজন কৰিছে। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত আজিৰ পৰা আৰম্ভ হবলগীয়া ছেম্পিয়নশ্বিপখন কাইলৈ সন্ধিয়া সামৰণি পৰিব।

০০০০০০০

**সমাপ্ত**